স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

☐ VOL-15 ☐ NO-224 ☐ TUESDAY 21 OCTOBER 2025 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGAR

বন গাৰ্গৰ
াপন কৰে।
পৰমহংসৰ
স্তি প্ৰজ্বলন
বস্ত কৰে।
মহাৰাজে
য়ে বক্তব্য
ৰ নিৰ্বাচিত
কৰা হয়।

## তিষ্ঠা

লে দিহানাম
জনাৰ্দ্দন দেৱ
তওঁ ভাষণ
শিশুসকলক
াক আহ্বান
গাঁও উন্নয়ন
।। অনুষ্ঠান
ক বংশীধৰ
বাম বেগন,
হধৰ পায়েং,
নোজ বেগন
আগবঢ়ায়।
সহযোগিতা
ৰ সভাপতি

# কানৈ কলেজৰ এণ্টি ৰেগিং কোষৰ বিভিন্ন প্ৰতিযোগিতাৰ বঁটা বিতৰণ

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২০ অক্টোবৰ ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ এণ্টি ৰেগিং কোষে মহাবিদ্যালয়খন ৰেগিং শূন্য কৰি ৰখাত বিশেষ ভূমিকা পালন কৰি আহিছে। প্ৰতিবছৰে মহাবিদ্যালয়খনত ৰেগিংবিৰোধী সজাগতা সভা অনুষ্ঠিত কৰাৰ উপৰি এণ্টি ৰেগিং সপ্তাহ উদ্‌যাপন কৰি আহিছে। এই পৰিপ্ৰেক্ষিতত শ্লোগান লিখন, পোষ্টাৰ অংকন প্ৰতিযোগিতা আদিৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে বাটৰ নাট প্ৰদৰ্শন কৰি আহিছে। শেহতীয়াভাৱে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক, 'বিদ্যা দ্যা লিভিং স্কুল'ৰ প্ৰতিষ্ঠাপক ড° প্ৰাঞ্জল বুঢ়াগোহাঁয়ে 'কৃতজ্ঞতা' শীৰ্ষক বক্তৃতা প্ৰদান কৰে। অনলাইন শ্লোগান লিখন আৰু পোষ্টাৰ অংকন প্ৰতিযোগিতাৰ বঁটা বিতৰণী অনুষ্ঠানত বিজয়ীসকলক বঁটা প্ৰদান কৰি ১৭ অক্টোবৰত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত লুকাই থকা সুপ্ত প্ৰতিভাক জাগ্ৰত কৰিবৰ বাবে এণ্টি ৰেগিং কোষে গ্ৰহণ কৰা পদক্ষেপক ভূয়সী প্ৰশংসা কৰাৰ লগতে বিজয়ী ছাত্ৰ-ছাত্ৰীসকলক শুভেচ্ছা জ্ঞাপন কৰে আৰু অনাগত দিনত আৰু অধিক আগুৱাই যোৱাৰ



বাবে আশীৰ্বাদ প্ৰদান কৰে। অধ্যক্ষগৰাকীয়ে লগতে ছাত্ৰ-ছাত্ৰীসকলক ৰেগিঙৰ দৰে সামাজিক ব্যাধিত আক্ৰান্ত নহৈ সমাজৰ বিভিন্ন গঠনমূলক কামত ব্ৰতী হৈ বিশ্বত নিজৰ লগতে দেশৰ নাম আগুৱাই নিবলৈ আহ্বান জনায়। বঁটা প্ৰদান অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি অসম আদিত্য কাকতৰ সম্পাদক মনজিত বৰাই বিজয়ীসকলক বঁটা প্ৰদান কৰাৰ লগতে শুভেচ্ছামূলক বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, এণ্টি ৰেগিং কোষৰ অধ্যক্ষ ড° মৰমী তালুকদাৰ, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতিপ্ৰসাদ ফুকন, এণ্টি ৰেগিং কোষৰ সক্ৰিয় সদস্য অধ্যাপক ৰাজীৱ লোচন বৰাকে প্ৰমুখ্য কৰি ভালেকেইজন অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনলাইন মাধ্যমত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ বহুসংখ্যক প্ৰতিযোগীৰ মাজত নৃতত্ত্ব বিভাগৰ জিজ্ঞাসা কোচে সৃজনীমূলক পোষ্টাৰ অংকনত বিশেষ বঁটা, শ্লোগান লিখন প্ৰতিযোগিতাত উদ্ভিদ বিজ্ঞান বিভাগৰ তুষাৰ ঘৰফলীয়াই প্ৰথম, দৰ্শন বিভাগৰ বন্দিতা পাদুনে দ্বিতীয়, ৰসায়ন বিজ্ঞান বিভাগৰ নন্দিতা দাস আৰু ইংৰাজী বিভাগৰ অংশুমান গগৈয়ে যুটীয়াভাৱে তৃতীয় পুৰস্কাৰ লাভ কৰে।